

# COVID-19

# নতুন ঢৌ

ডাঃ সুনীল কৌল
দি্য এণ্ট, অসম

www.theant.org

## ভুল ধাৰণা আৰু সত্য

| ভুল ধাৰণা | সত্য |
| --- | --- |
| #১ ক'ৰ'ণা নামৰ কোনো ভাইৰাছ নাই। ই কেৱল প্ৰচাৰ মাধ্যম আৰু চৰকাৰৰ এক সৃষ্টি হে মাথোন। | ক'ৰ'ণা ভাইৰাছৰ উপস্থিতি নিশ্চিত। ই এক অতিকৈ ভয়াৱহ ঘাতক। ইয়াৰ উপস্থিতি যে সম্পূৰ্ণ সঁচা বিশ্বাস কৰিবলৈ আমি বাধ্য হ'বই লাগিব। এই ভাইৰাছে আপোনাৰ অঞ্চলৰ লোকৰো মৃত্যু ঘটাব পাৰে। গতিকে, এই ভাইৰাছে আপোনাৰ আৰু আপোনাৰ পৰিয়ালৰ কোনোক্ষতি কৰিব নোৱাৰে বুলি প্ৰচাৰ চলাই থকা লোকক অনুগ্ৰহ কৰি এনে ধৰণৰ উৰাবাতৰি প্ৰচাৰ কৰাত বাধা দিয়ক। |
| #২ ক'ৰ'ণা ভাইৰাছ আমাৰ সম্প্ৰদায় আৰু ধৰ্মৰ লোকসকলক দোষাৰোপ কৰাৰ বাবে এক বৈদেষিক ষড়যন্ত্ৰহে। | এই ভাইৰাছে যিকোনো ব্যক্তিকে লক্ষ্য বনাব পাৰে। ৰজা, প্ৰজা, মন্ত্ৰী, বেংক কৰ্মচাৰী, চিনেমা জগতৰ তাৰকা, খেল জগতৰ তাৰকা, চিকিৎসক, ছেলছমেন, গাঁওবাসী, নগৰবাসী, ধনী-দুখীয়া, ডাঙৰ-সৰু সকলোৱে আজি ক'ভিড ৰোগৰ সন্মুখীন হোৱা দেখা গৈছে। প্ৰত্যেক সম্প্ৰদায়ৰ, জাতিৰ, পুৰুষ, মহিলা, ৰূপান্তৰকামী লোক– কোনো ক'ভিডৰ পৰা হাত সাৰিব পৰা নাই। |
| #৩ কেৱল বয়োজেষ্ঠ লোকৰহে মৃত্যু হয়। | এয়া সঁচা যে কভিড আক্ৰান্ত হে মৃত্যু হোৱা অধিকাংশ লোকৰেই বয়স ৬৫তকৈ বেছি। ভাৰতৰ দৰে উন্নয়ণশীল ৰাষ্ট্ৰ সমূহত মানুহৰ গড় আয়ুস উন্নত ৰাষ্ট্ৰৰ তুলনাত কম হোৱা বাবে ভাৰতত ৬৫ বছৰতকৈ বেছি বয়সৰ লোকৰ সংখ্যাৰ অনুপাত কম। সেয়েহে ইয়াত মৃত্যু হোৱা লোকসকলৰ বয়স ৪৫ বা তাতকৈ অধিক। তাৰোপৰি কম শতাংশ হ'লেও ৪৫তকৈ কম বয়সৰ যুৱক-যুৱতী, আনকি শিশুৰো মৃত্যু হৈছে। |
| #৪ কাষৰ ঘৰত আজি এজন মানুহ ক'ভিড পজিতিভ ওলাল। এতিয়া মই আৰু মোৰ পৰিয়াল সংক্ৰমিত হোৱাটো নিশ্চিত। | যদিহে আপুনি পৰৱৰ্তী ১৪ দিনৰ ভিতৰত আপোনাৰ চুবুৰীয়াজনৰ ঘৰলৈ কোনো মাস্ক নিপিন্ধাকৈ গৈছে অথবা তেওঁলোকৰ পৰা ৬ ফুট দূৰত্ব নৰখাকৈ ঘৰত ১৫ মিনিটতকৈ বেছি সময় অতিবাহিত কৰিছে, তেন্তে আপুনি ক'ভিড আক্ৰন্ত হোৱাৰ সম্ভাৱনা আছে, অন্যথা আপোনাৰ আক্ৰান্ত হোৱাৰ সম্ভাৱনা প্ৰায় শূন্য। |
| #৫ মোৰ বিশ্বাস যে এই ভাইৰাছটো ভগৱানে আমাক শিক্ষা দিবলৈ পঠাইছে। গতিকে ভগৱানৰ বিৰুদ্ধে গৈ আমি ক'ৰ'ণাৰ ভেকচিন লোৱাটো আৰু চিকিৎসাধীন হোৱাটো অনুচিত। | একেজন ভগৱানেই ভেকচিন আৱিষ্কাৰ কৰা লোকসকলক আৰু আমাক চিকিৎসা কৰা চিকিৎসক আৰু নাৰ্চসকলকো সৃষ্টি কৰিছে। তদুপৰি আমাক চিন্তা চৰ্চা কৰিবলৈ এটা সুস্থিৰ মগজু দিছে, যাতে আমাৰ মগজুৱে মনটোক পৰিচালনা কৰিব পাৰে?! গতিকে আহক, আমি যুক্তিসংগত ভাবে এই সময়ত মাস্ক পিন্ধো, নিজৰ হাতখন ভালকৈ ধোঁ আৰু ভেকচিন টিকা লওঁ। এয়া আমাৰ নিজৰ বাবে, আমাৰ বৃদ্ধ পিতৃ-মাতৃৰ আৰু পৰিয়ালৰ বাবে, সমাজ, দেশ আৰু সমগ্ৰ বিশ্বৰ বাবে এক দায়বদ্ধতা। |

| ভুল ধাৰণা | সত্য |
|---|---|
| #৬ মই নিজকে ভগৱানৰ ওচৰত অৰ্পণ কৰিছো। তেওঁৰ আশীৰ্বাদত মোক কোনো ক'ৰ'ণাই আক্ৰমণ কৰিব নোৱাৰে। | বহু বয়োজষ্ঠলোকে ভগৱানৰ ওচৰত পূজা-অৰ্চনা কৰি সময় অতিবাহিত কৰে আৰু তাৰে অধিকাংশই ক'ভিডত আক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰিছে! বৃহৎ ধৰ্মীয় অনুষ্ঠান সমূহত গোট খোৱা জনসমাগমে ক'ভিডৰ প্ৰকোপ আৰু প্ৰৱল কৰি তুলিছে। এনে অনুষ্ঠানত অংশগ্ৰহণ কৰা অনেক লোক আৰু ধৰ্মীয় গুৰু সকলো ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা দেখা গৈছে। |
| #৭ মই জানো যে ভাইৰাছ্টোৱে মোক আক্ৰমণ কৰিছে। জ্বৰ-কাঁহে মোক জুৰুলা কৰিছে, মই উশাহ ল'বলৈ কষ্ট পাইছো। মোৰ মৃত্যু নিশ্চিত, গতিকে চিকিৎসালয়লৈ গৈ মিছাতে পইচা নষ্ট কৰাৰ কোনো মানে নাই। | চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা ভেকচিন টিকাকৰণ সম্পূৰ্ণ হোৱাৰ পিছত আমি ক'ভিডৰ আতংকৰ পৰা বা চিকিৎসালয়ত ভৰ্তি হোৱা বা মৃত্যুৰ ভয়ৰ পৰা প্ৰায় মুক্ত। তথাপি, বৰ্তমান সময়ত আপোনাৰ জীৱন ৰক্ষাৰ হেতুকে সুফলদায়ক বিশেষ ঔষধপাতিৰো ব্যৱস্থা হৈছে। আপুনি মাত্ৰ আপোনাৰ শৰীৰত অক্সিজেনৰ মাত্ৰা লক্ষ্য কৰি থাকিব লাগিব যাতে দেৰি হৈ যোৱাৰ আগতেই সঠিক সময়ত গৈ চিকিৎসালয়ত ভৰ্তি হ'বগৈ পাৰে। |
| #৮ ক'ৰ'ণা ভেকচিনৰ এতিয়াও সম্পূৰ্ণ ৰূপে পৰীক্ষা সম্পন্ন হোৱা নাই আৰু ই সম্পূৰ্ণ সুৰক্ষিত ন'হ'বও পাৰে। মই ভেকচিন লৈ নিজৰ জীৱন আৰু স্বাস্থ্যৰ বিপদৰ সম্ভাৱনা মুৰ পাতি লৈছো। | ক'ভিড-১৯ ভেকচিন সুৰক্ষিত আৰু ফলপ্ৰসু। বৰ্তমান সমগ্ৰ পৃথিৱীৰ ডাক্তৰ, নাৰ্চকে ধৰি কোটি কোটি মানুহে ইয়াক গ্ৰহণ কৰিছে। ইয়াৰ পাৰ্শ্বক্ৰিয়া (side-effect) থাকিব পাৰে কিন্তু এই পাৰ্শ্বক্ৰিয়া ভাইৰাছৰ আক্ৰমণৰ তুলনাত নগন্য। এই ভেকচিন সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰাটো আমাৰ কৰ্তব্য যাতে আমি নিজক বচাই ৰখাৰ লগতে ভাইৰাছটোৰ সংক্ৰমণৰ হাৰ হ্ৰাস কৰিব পাৰো। |
| #৯ এই ভাইৰাছৰ পৰা আঁতৰত থাকিবলৈ বহু ব্যক্তিয়ে বিকল্প চিন্তাৰে আগবাঢ়ি সুফল লাভ কৰিছে, যিবোৰ ব্যৱস্থাৰ বিষয়ে চিকিৎসকসকলে এতিয়াও কথা পতা নাই। | এই ৰোগত আক্ৰান্ত প্ৰায় শ শ মানুহৰ ওপৰত বৈজ্ঞানিক ভাৱে দৰৱ আৰু ভেকচিনৰ পৰীক্ষা কৰা হৈছে। বহুতো লোকে এই ৰোগৰ পৰা চিকিৎসাৰ সহায়ত মুক্তি পাইছে, ঘৰুৱা প্ৰতিকাৰৰ সহায়ত নহয়। কিছুমান ঘৰুৱা প্ৰতিকাৰ যেনে আমাৰ দৈনন্দিন খাদ্যাহাৰ জড়িয়তে পুষ্টি আৰু শৰীৰৰ প্ৰতিৰোধী ক্ষমতা বঢ়াব পাৰো। |
| #১০ মই ঘৰৰ বাহিৰ ওলাবলৈ আৰু কাম কৰিবলৈ ভয় কৰো কাৰণ, মোৰ পৰিয়ালৰ কাৰোবাৰ ক'ভিড হ'লে, আৰোগ্য লাভ কৰিবলৈ দৰৱ কিনোতে বহু টকাৰ প্ৰয়োজন হ'ব। | যদি এজন ব্যক্তি মাস্ক পিন্ধাৰ ক্ষেত্ৰত সচেতন হয়, কাৰোবাক লগ পোৱাৰ সময়ত অতি কমেও ৬ ফুট দুৰত্ব বজাই ৰাখে, বিয়া সবাহ বা আন অনুষ্ঠানৰ জনসমাগম এৰাই চলে, তেনে লোকৰ ক'ভিড হোৱাৰ আশংকা যথেষ্ট কম। গতিকে, চৰকাৰৰ অনুমতি সাপেক্ষে ক'ভিড বিধি মানি চলি আমি কৰ্ম ক্ষেত্ৰত কামো কৰি থাকিব পাৰো। |
| #১১ মই মোৰ সম্পৰ্কীয় ব্যক্তি বা বন্ধু বৰ্গ, যি সকল ক'ভিড আক্ৰান্ত, তেওঁলোকক সহায় কৰিব বিচাৰো কিন্তু নিজেও এই ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ পৰিয়ালৰ অন্য লোকলৈ এই বেমাৰৰ বীজাণু বিয়পোৱাৰ ভয় থাকে। | এই অতিমাৰীৰ বিপদৰ সময়ত আমাৰ সম্পৰ্কীয় ব্যক্তি বা বন্ধু বৰ্গক আমি নিজে আক্ৰান্ত নোহোৱাকৈ বা পৰিয়ালৰ লোকৰ বাবে ভয়াবহতা কঢ়িয়াই ননাকৈ এনেদৰে সহায় আগবঢ়াব পাৰো –<br>• তেওঁলোকক দৈনিক ফোন কৰি তেওঁলোক ঠিকে আছে নে খবৰ ল'ব পাৰো।<br>• তেওঁলোকৰ প্ৰয়োজনীয় ঔষধ বা অন্যান্য খাদ্যসামগ্ৰী কিনি আনি দিব পাৰো।<br>• চিকিৎসালয়লৈ যাবলৈ প্ৰয়োজনত সহজতে টেক্সী গাড়ীৰ ব্যৱস্থা কৰা। |

childaid network

IDeA Institute of Development Action